Unit - III

৫) 'শোণিত কুঁৱৰী' নাটকৰ কাহিনীৰ মূল বিচাৰ কৰা। পৌৰাণিক বিষয়বস্তুত আধুনিক দৃষ্টিভংগীৰ প্ৰয়োগে নাটকখনক কিদৰে জীৱন্ত কৰি তুলিছে, বিশ্লেষণ কৰা। ৪+১০=১৪

অথবা

৬) 'শোণিত কুঁৱৰী' নাটকৰ উষাৰ সখী কেইগৰাকীৰ নাম লিখা। নাটকখনিৰ মাজেৰে জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য চেতনা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ৪+১০=১৪

Unit - IV

৭) 'ৰূপালীম' নাটকত কোনগৰাকী পাশ্চাত্য নাট্যকাৰৰ কোনখন নাটকৰ প্ৰভাৱ পৰিছে? সেই নাটকখনৰ দুটা চৰিত্ৰৰ নাম লিখা। লগতে 'ৰূপালীম' নাটকত জনজাতীয় জীৱনৰ চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ২+২+১০=১৪

অথবা

৮) ''তোমাৰ ৰূপে আৰু মোক মানুহ কৰি থোৱা নাই। মই এটা অদম্য বাসনা -'' ৰূপালীম নাটকৰ কোন অংকত কোন চৰিত্ৰৰ মুখত এই সংলাপটি দিয়া হৈছে? সংলাপটিৰ আধাৰত সংশ্লিষ্ট ঘটনাৱলীৰ এটি বিৱৰণ দিয়া। ৮+৬=১৪

Unit - V

৯) 'লভিতা' নাটকৰ চাৰিটা নাৰী চৰিত্ৰৰ নাম লিখা। নাটকখনত অসমীয়া সমাজৰ কোনবোৰ দিশ প্ৰকাশ পাইছে, দেখুওৱা। ৪+১০=১৪

অথবা

১০) ''দ্বিতীয় মহাযুদ্ধৰ পটভূমিত লিখা 'লভিতা'ত অসমীয়া নাৰীত্বৰ গৌৰৱ গাবৰ যত্ন কৰিছে।'' — উক্ত কথাষাৰৰ আঁত ধৰি 'লভিতা' নাটকৰ পটভূমি আৰু লভিতা চৰিত্ৰৰ এটি বিশ্লেষণ আগবঢ়োৱা। ৭+৭=১৪

★★★

PG (CBCS) Even Semester Examination, May 2025

ASSAMESE

4th Semester

Course No : ASMCC - 404.3

(Special Author)

Full Marks : 70

Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Unit - I

১) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ইউৰোপ ভ্ৰমণৰ অভিজ্ঞতাৰ বিষয়ে চমুকৈ লিখা আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ৬+৮=১৪

অথবা

২) জ্যোতিপ্ৰসাদ আগৰৱালাৰ সমসাময়িক চাৰিজন অসমীয়া নাট্যকাৰ আৰু তেওঁলোকৰ একোখনকৈ নাটকৰ নাম লিখা। লগতে সেই সময়ৰ অসমীয়া নাটকৰ ধাৰা সম্বন্ধে আলোচনা কৰা। ৪+১০=১৪

Unit - II

৩) জ্যোতিপ্ৰসাদ আগৰৱালাৰ চাৰিটা গল্পৰ নাম লিখা আৰু অসমৰ সাংস্কৃতিক জগতলৈ তেওঁৰ অৱদান বিচাৰ কৰি এটি প্ৰৱন্ধ লিখা। ৪+১০=১৪

অথবা

৪) জ্যোতিপ্ৰসাদ আগৰৱালাৰ চাৰিটা প্ৰৱন্ধৰ নাম লিখা আৰু অসমীয়া সংগীতৰ ইতিহাসলৈ তেওঁৰ অৱদান বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা। ৪+১০=১৪

(Turn Over)